তাৰিখ : ০৩/১১/২০১৫

# অসম জাতীয় বিদ্যালয়ত 'গীত-মাতৰ গধূলি', 'বিশেষ সম্বৰ্দ্ধনা অনুষ্ঠান' আৰু 'অসম জাতীয় বিদ্যালয় সন্মান' প্ৰদান অনুষ্ঠান

গুৱাহাটী, ৩ নৱেম্বৰ, ২০১৫ : নুনমাটিস্থ অসম জাতীয় বিদ্যালয়ত যোৱা ৩১ অক্ট'বৰ আৰু ১ নৱেম্বৰ তাৰিখে বাৰ্ষিক 'গীত-মাতৰ গধূলি' অনুষ্ঠান, ২০১৫ বৰ্ষৰ 'বিশেষ সম্বৰ্দ্ধনা অনুষ্ঠান' আৰু 'অসম জাতীয় বিদ্যালয় সন্মান' প্ৰদান অনুষ্ঠান অনুষ্ঠিত কৰা হয়। ৩১ অক্ট'বৰ অনুষ্ঠানৰ শুভাৰম্ভ হয় স্বৰ্গীয় ভবেন কুমাৰ বৰা, স্বৰ্গীয় ত্ৰিদিৱ ভট্টাচাৰ্য্য আৰু স্বৰ্গীয় কৃষ্ণ কুমাৰ বৰাদেৱৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্জ্বলন কাৰ্যসূচীৰে। বন্তি প্ৰজ্জ্বলন কৰে বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সচিব ডাঃ নাৰায়ণ শৰ্মা, ৰেক্টৰ ৰঞ্জিত নাৰায়ণ ডেকা আৰু সভাপতি শ্ৰীযুত দিলীপ কুমাৰ দত্ত চৌধুৰীদেৱে। স্বৰ্গীয় ত্ৰিদিৱ কুমাৰ ভট্টাচাৰ্য্যদেৱৰ সোঁৱৰণী মঞ্চ উদ্বোধন কৰে বিদ্যালয়ৰ অধ্যক্ষ ঘনশ্যাম মেধিদেৱে। অনুষ্ঠানৰ মুখ্য অতিথিৰূপে আমন্ত্ৰিত সংগীত নাটক অকাডেমী প্ৰাপ্ত বিশিষ্ট শিল্পী শ্ৰীযুত প্ৰভাত শৰ্মাদেৱে বিদ্যালয়ৰ ভৱিষ্যত উন্নতি কামনাৰে শিক্ষাৰ্থীসকলৰ উপযোগী হোৱাকৈ সাৰগৰ্ভমূলক বক্তৃতা আগবঢ়ায়। এই অনুষ্ঠানত বিদ্যালয়ৰ মুখপত্ৰ 'বাখৰ' উন্মোচন কৰে গীতিকাৰ, বিশিষ্ট অধিবক্তা শ্ৰীযুত অৰূপ বৰবৰাদেৱে। তেখেতে শিক্ষাৰ্থীসকলক কেৱল মাত্ৰ প্ৰতিযোগিতামুখী মনৰ নহৈ প্ৰকৃত মানুহ হ'বলৈ উপদেশ দিয়ে। উল্লেখ্য যে এই অনুষ্ঠানতে চলিত বৰ্ষতে ব্ৰাজিলত অনুষ্ঠিত ৰুবিক্স কিউবৰ 3×3 Blindfolded eventত বিশ্ব চেম্পিয়ন খিতাপ অৰ্জন কৰা এই বিদ্যালয়ৰে দশম শ্ৰেণীৰ শিক্ষাৰ্থী কাব্যনীল তালুকদাৰক সম্বৰ্দ্ধনা জনোৱা হয়। এই অনুষ্ঠানত বিদ্যালয়ৰ কৃতি শিক্ষাৰ্থীসকল, হাইস্কুল শিক্ষান্ত পৰীক্ষাত অসম জাতীয় বিদ্যালয়ৰ শিক্ষা সংসদৰ অন্তৰ্গত বিদ্যালয়ৰ স্থানপ্ৰাপ্ত শিক্ষাৰ্থী আৰু বিদ্যালয়ৰ বিভিন্ন বিষয়ত ৰাজ্যৰ ভিতৰত সৰ্বোচ্চ নম্বৰ প্ৰাপ্ত শিক্ষাৰ্থীসকলক বৃত্তি আৰু বিশেষ বঁটাৰে উৎসাহিত কৰা হয়। তদুপৰি ২০১৫ বৰ্ষৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত দশম স্থান প্ৰাপ্ত অবিনাশ ভৰদ্বাজকো বিশেষ বঁটা প্ৰদান কৰা হয়।

দুদিনীয়াকৈ অনুষ্ঠিত 'গীত-মাতৰ গধূলি' অনুষ্ঠানৰ দ্বিতীয় দিনাৰ (১ নৱেম্বৰ) কাৰ্যসূচীত 'বিশেষ সম্বৰ্দ্ধনা' আৰু 'অসম জাতীয় বিদ্যালয় সন্মান' প্ৰদান অনুষ্ঠান অনুষ্ঠিত কৰা হয়। সম্বৰ্দ্ধনা জনোৱা হয় মহান কৰ্মযোগী, শিক্ষাবিদ তথা এই বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ আৰু ৰেক্টৰ শ্ৰীযুত বনমালী তালুকদাৰদেৱক। তদুপৰি এই অনুষ্ঠানৰ বিশেষ কাৰ্যসূচীত বিশেষভাৱে অন্তৰ্গত 'অসম জাতীয় বিদ্যালয় সন্মান', ২০১৫ প্ৰদান কৰা হয় বিশিষ্ট শিক্ষাবিদ সাহিত্যাচাৰ্য ড° প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য্য, চিত্ৰশিল্পী, কাহুদী খ্যাত কাৰ্টুনিষ্ট শ্ৰীত্ৰৈলোক্য দত্ত, কলানিৰ্দেশক (কথাছবি আৰু ভ্ৰাম্যমান থিয়েটাৰ) নুৰুদ্দিন আহমেদ আৰু নাট্যকাৰ আৰু ভ্ৰাম্যমান থিয়েটাৰৰ জনক শ্ৰীঅচ্যুত লহকৰদেৱক। তেখেতসকলক নিজৰ নিজৰ ক্ষেত্ৰত আগবঢ়োৱা অৱদানৰ বাবে এই সন্মান আগবঢ়োৱা হয়। এই সন্মানত প্ৰতিগৰাকী বিশিষ্ট ব্যক্তিকে বিদ্যালয়ৰ প্ৰতীক সম্বলিত একোখনি গামোচা, বিদ্যালয়ৰপৰা প্ৰকাশিত একোটি কিতাপৰ টোপোলা, একোখন ছবি, বিদ্যালয়ৰ প্ৰতীক সম্বলিত স্মাৰক, একোখনি প্ৰশস্তি পত্ৰ, একোখনি এড়ী চাদৰ আৰু ২৫,০০০.০০ টকাৰ একোখনি চেক আগবঢ়োৱা হয়। উল্লেখ্য যে শাৰীৰিকভাৱে অসুস্থ নাট্যকাৰ অচ্যুত লহকৰ অনুষ্ঠানত উপস্থিত থাকিব নোৱৰাৰ বাবে পৰৱৰ্তী সময়ত তেওঁৰ বাসভৱনত এই সন্মান প্ৰদান কৰা হ'ব বুলি ঘোষণা কৰা হয়। আটাইকেইগৰাকী বিশিষ্ট ব্যক্তিয়ে বিভিন্ন বিষয় সম্পৰ্কত শিক্ষাৰ্থীৰ উপযোগী বক্তব্য আগবঢ়ায়। অনুষ্ঠানত উপস্থিত থাকে সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি দীপাংক নাথ আৰু সম্পাদক লুৰিণজ্যোতি গগৈ।

উক্ত দুয়োটি দিনতে বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীৰ পৰিচালনাত শিক্ষাৰ্থীসকলে বিভিন্ন নৃত্য-গীত পৰিবেশন কৰে। সমগ্ৰ অনুষ্ঠানটো পৰিচালনাৰ দায়িত্বত থাকে বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সদস্যসকল, অধ্যক্ষ ঘনশ্যাম মেধি, উপাধ্যক্ষদ্বয় অসীম কৃষ্ণ বৰুৱা আৰু ৰঘুনাথ কুমাৰ, শিক্ষক-কৰ্মচাৰীসকল। অনুষ্ঠানৰ আঁত ধৰে বিদ্যালয়ৰ জ্যেষ্ঠা শিক্ষয়িত্ৰী অপৰ্ণা দেৱী, যুথিকা পাটোৱাৰী, উদয়া ফুকন আৰু অসীম কৃষ্ণ বৰুৱাদেৱে।

*(ঘনশ্যাম মেধি)*

অধ্যক্ষ

অসম জাতীয় বিদ্যালয়